# প্ৰেছ বাৰ্তা

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম**

**লক ডাউনৰ পৰিপ্ৰেক্ষিতত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিশেষ পদক্ষেপ**

# আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকলৈ ১,০০০ টকাকৈ এককালীন অৰ্থ সাহায্য

**গুৱাহাটী ৪ এপ্ৰিলঃ** বৰ্তমান বিশ্বজুৰি হোৱা COVID-19ৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ দেশবাসীকে এই মহামাৰীৰ পৰা ৰক্ষা কৰাৰ অৰ্থে প্ৰতিৰোধীমূলক ব্যৱস্থা হিচাপে চৰকাৰে হাতত লোৱা ২১দিনীয়া ল'কডাউনৰ সময়ছোৱাত সমাজৰ দুৰ্বল শ্ৰেণীক সহায় কৰাৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে বিশেষ ব্যৱস্থা হাতত লৈছে। এই সময়ছোৱাত ৰাজ্যখনৰ গ্ৰাম্য দুখীয়া বিশেষকৈ সমাজৰ আটাইতকৈ দুৰ্বল শ্ৰেণীটোক আৰ্থিক সকাহ প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা অনুসৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে চতুৰ্দশ বিত্তীয় আয়োগৰ অনুদানেৰে প্ৰতিটো দুখীয়া পৰিয়ালক ১,০০০ টকাকৈ নগদ এককালীন সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

এই এককালীন সাহায্যৰ বাবে খাদ্য সুৰক্ষা আঁচনিৰ অধীনত সামৰি নোলোৱা পৰিয়ালসকলক হিতাধিকাৰী হিচাপে বাচনি কৰা হৈছে। ইয়াৰ উপৰি প্ৰকৃত দুখীয়া পৰিয়ালে যাতে এই সাহায্য লাভ কৰে সেয়া সুনিশ্চিত কৰিবলৈ গাঁওপঞ্চায়তসমূহৰ সচিবসকলক হিতাধিকাৰী বাচনিৰ দায়িত্ব দিয়া হৈছে। পিছলৈ হিতাধিকাৰীৰ তালিকাসমূহ গাঁওসভাত অনুমোদন কৰাব লাগিব।

তদুপৰি প্ৰতিখন গাঁও পঞ্চায়তৰ মুঠ জনসংখ্যাৰ ওপৰত ভিত্তি কৰি এই সাহায্যৰ হিতাধিকাৰীৰ সংখ্যা নিৰ্দ্ধাৰণ কৰা হৈছে। এই অনুসৰি পাঁচ হাজাৰ লোক থকা গাঁও পঞ্চায়তসমূহক ১০০ টা পৰিয়াল, ৫০০১ৰ পৰা ১০,০০০ জনসংখ্যাৰ গাঁও পঞ্চায়তসমূহক ১৫০টা আৰু ১০,০০০ৰ ওপৰত জনসংখ্যা থকা গাঁও পঞ্চায়তসমূহক ২০০টাকৈ পৰিয়াল হিতাধিকাৰী ৰূপে বাচনি কৰিবলৈ দিয়া হৈছে। এই আৰ্থিক অনুদানে সমাজৰ এই দুৰ্বল শ্ৰেণীটোক বৰ্তমানৰ জটিল পৰিস্থিতিৰ সন্মুখীন হ'বৰ বাবে আৰ্থিক সুৰক্ষা প্ৰদান কৰিব।

তদুপৰি গ্ৰাম্য দুখীয়া তথা অনগ্ৰসৰ শ্ৰেণীটোক আৰ্থিক সকাহ দিবলৈ বিভাগৰ অধীনত চলি থকা আঁচনিসমূহ বিশেষকৈ পেন্সনসমূহ সময়মতে প্ৰদান কৰাৰ ব্যৱস্থা কৰাৰ উপৰি ১৮ৰ পৰা ৫৯ বছৰ বয়সৰ বিধৱা মহিলাসকলক আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে নতুনকৈ গ্ৰহণ কৰা ইন্দিৰা মিৰি সাৰ্বজনীন বিধাৱা পেন্সন আঁচনিখনো কালি অৰ্থাৎ ৩ এপ্ৰিলত মুকলি কৰি মাহে ৩০০টকাকৈ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে ইতিপূৰ্বে আবেদন কৰা ১,৪৩,৩১৮গৰাকী হিতাধিকাৰীলৈ বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিৰ জোৱা মাৰিবলৈ এই পেন্সন চলিত এপ্ৰিল মাহৰ পৰা আগন্তুক জুলাই মাহলৈ চাৰিমাহৰ অগ্ৰিম পেন্সন পোনপটীয়াকৈ তেওঁলোকৰ বেংক একাউণ্টত প্ৰদান কৰা হৈছে।

*এম আৰ ডি/০৪-০৪-২০২০*